ভৱিষ্যতৰ বাবে লিখি থৈ গ'ল।

"বিশ্বসমাজ পাই ঘৰতে চমু নাট মেলিলে
তিনিটি দৃশ্যৰে একাংকিকা ৰচিলে
প্ৰথম দৃশ্যৰে তেওঁ সৰলতা সানিলে
দ্বিতীয় দৃশ্যতে তেওঁ ৰুদ্ৰ ৰস ঢালিলে
তৃতীয় দৃশ্যতে নাশে ঘোৰ ৰণ ৰাত্ৰি
তাছখণ্ডতে হ'ল শান্তিপথযাত্ৰী।"

*(নাই নাই হেনো আমাৰ আপোন শাস্ত্ৰী)*

কুৰি শতিকাৰ শেষভাগত ঐতিহাসিক ঘটনাক্ৰমৰ অন্তত ভাৰতীয় উপমহাদেশৰ মানচিত্ৰ সলনি হৈছিল। এসত্তৰ চনত ভাৰতীয় সেনাবাহিনীৰ সহযোগত মুক্তি বাহিনীয়ে পাকিস্তানক দুফাল কৰি বাংলাদেশক স্বাধীন কৰিলে। বাংলা সাহিত্য-সংস্কৃতি সামন্ততন্ত্ৰৰ বৰ্বৰতাৰপৰা মুক্তি পোৱাত ভূপেনদা আনন্দিত হ'ল। বংগবন্ধুৰ ধৰ্মনিৰপেক্ষতা আৰু প্ৰজাতন্ত্ৰৰ বাণীয়েও গীতিকাৰক আকৃষ্ট কৰিলে। ফলত বাংলাদেশৰ মুক্তিৰ কাহিনী গীতেৰে লিখা হ'ল। স্বাধীনতাৰ যুঁজ কেনেকৈ আৰম্ভ হ'ল, পাকিস্তানী শাসকবৰ্গই মুজিবক কেনেকৈ যমৰ যন্ত্ৰণা দিলে আৰু বৰ্বৰ পাকিস্তানী সৈনিকে কি ধৰণে মুক্তিকামীৰ লগত দুৰাচাৰ কৰিলে, সেই সকলো কথা মাত্ৰ দুশমান শব্দৰ ভিতৰতে লিপিবদ্ধ কৰি ভূপেনদাই ভুৰুকাত হাতী ভৰোৱাৰ কাম কৰিলে।

"জয় জয় নৱজাত বাংলাদেশ
জয় জয় মুক্তি বাহিনী
ভাৰতীয় সৈন্যৰ সতে ৰচিলা
মৈত্ৰীৰ কাহিনী।"

*(জয় জয় নৱজাত)*

উল্লেখযোগ্য যে বাংলাদেশৰ মুক্তি যুদ্ধত ভাৰতীয় সৈন্যই আগভাগ লোৱা দেখি বহু ভাৰতবিৰোধী শক্তিয়ে আমাৰ মানৱতাক অভিসন্ধি আখ্যা দি আমাৰ বিৰুদ্ধে অপপ্ৰচাৰ কৰিছিল। ভূপেনদাই সেই ইতিহাস পোন কৰি থৈ গ'ল।

"আমাৰ ভাৰত কিছু মাটি নহয়; নহয় এক মানচিত্ৰ
নহয় ভাৰত, বিশেষ এখন শাস্ত্ৰৰ কিছুমান সূত্ৰ
আমাৰ ভাৰত, এক প্ৰচণ্ড শক্তিৰে মেলি থোৱা জাগ্ৰত নেত্ৰ
আৰু লক্ষ্য মাথোঁ ন্যায় মিত্ৰতা, নিবিচাৰে ই পৰৰাষ্ট্ৰ।"

*(জয় জয় নৱজাত)*

ইতিহাসৰ পুনৰাবৃত্তি ঘটে। এই চিৰসত্যত বিশ্বাসী ভূপেনদাই গীতৰ জৰিয়তে পাকিস্তানৰ শাসক বৰ্গক এই কথাও সকীয়াই থৈ গ'ল যে তেওঁলোকৰ বাবে বাংলাদেশেই শেষ দুৰ্যোগ নহয়। ইয়াৰ পাছতো মুক্তিকামী প্ৰজাই দেশখন ৰাঙলী কৰিব। ভূপেনদাৰ এই ভৱিষ্যৎবাণী আজি সঁচা বুলি প্ৰমাণ হোৱাৰ উপক্ৰমত।

"আজি পাখতুন বালুচিয়ে কিজানি ৰাঙলী কৰে
সিন্ধু নদীৰো পানী।"

*(জয় জয় নৱজাত)*

ভাৰতৰ বাহিৰেও পৃথিৱীৰ আন ক'ৰবাত ঘটা মহত্বপূৰ্ণ ঘটনাক নিজৰ গীতত স্থান দিবলৈ ভূপেনদাই নাপাহৰিলে। চৌৰান্নবৈ চনত নেলছন মেণ্ডেলাৰ নেতৃত্বত চলা আন্দোলনৰ শেষত দক্ষিণ আফ্ৰিকাৰ বৰ্ণ-বৈষম্যৰ অৱসান ঘটিল। লগে লগে ভূপেনদাই কৃষ্ণাংগ নেতাজনৰ গুণ গাই এই মহান বিপ্লৱী বীৰক অমৰ কৰিলে।

"জিন্দাবাদ মেণ্ডেলা, মেণ্ডেলা জিন্দাবাদ

সাতাইছ বছৰ আৰু সাতটা মাহৰ
বন্ধ কাৰাগাৰ ভাঙিলা
প্ৰখৰ ৰৌদ্ৰৰূপে আফ্ৰিকাৰ
নতুন যুৱক হৈ ওলালা।

যাৱজ্জীৱন কাৰাদণ্ডতো, তুমি নকৰিলা আপোচৰ চুক্তি
সাম্যপিয়াসী লক্ষজনৰ, বন্দী শিবিৰ তুমি নাশিলা।"

*(জিন্দাবাদ মেণ্ডেলা)*

আধুনিক অসমত ঘটা অবিস্মৰণীয় ঘটনাবোৰেও সঘনে ভূপেনদাৰ গীতত স্থান পায়। যিবোৰ সুদূৰপ্ৰসাৰী পৰিৱৰ্তনে অসমীয়া সমাজত আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক বিপ্লৱৰ সূচনা কৰে, সেই প্ৰগতিৰ ইতিহাস সুধাকণ্ঠৰ গীতত সহজতে বিচাৰি পোৱা যায়। আঠচল্লিছ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হ'ল। দেখাত তেনেই সাধাৰণ কথা। কিন্তু সাতদিন লুইতেৰে ভটিয়াই গৈ সেই দিনত কলকাতাত পঢ়িবলৈ যোৱা কোনোবা বৃদ্ধক সুধিলে ক'ব, গুৱাহাটী বিশ্ববিদ্যালয়ে অসমীয়া সমাজ ব্যৱস্থাৰ কি পৰিৱৰ্তন সাধিলে। সেয়েহে এই সোণালী দিনটো চিৰযুগমীয়া কৰিবলৈ প্ৰবীণ শিক্ষাবিদ আৰু উপ ৰাষ্ট্ৰপতি ড° ৰাধাকৃষ্ণনৰ সমুখত ভূপেনদাই সংগীবৃন্দৰ সৈতে গালে।

"জিলিকাব লুইতৰে পাৰ
................................
শত শত বন্তিৰে জ্ঞানৰে দীপালীয়ে
জিলিকাব লুইতৰে পাৰ।

নতুনৰ গতি খেদা ডেকা গাভৰু আমি
নিৰ্ভীক কুৰি শতিকাৰ
অজ্ঞান চাকনৈয়া এফলীয়া কৰি থৈ
মাৰি যাওঁ জীৱনৰ ডাঁৱ।"

*(জিলিকাব লুইতৰে পাৰ)*

বাষষ্টি চনত মহাবাহু ব্ৰহ্মপুত্ৰৰ ওপৰত প্ৰথমখন দলং নিৰ্মাণ হ'ল। চাৰিখন দলং দেখা নতুন পুৰুষৰ বাবে সাধাৰণ কথা হ'লেও শৰাইঘাটৰ দলঙে সমাজ ব্যৱস্থাৰ দ্ৰুত পৰিৱৰ্তন সাধিলে। তিনিখন ৰে'ল আৰু ব্ৰহ্মপুত্ৰ-গংগাৰ ওপৰেদি দুবাৰ জাহাজ সলাই, সেই দিনত কলকাতালৈ যোৱা লোকৰ যন্ত্ৰণা এই দলঙে চিৰদিনলৈ শেষ কৰিলে। তদুপৰি সেই দিনত বৰলুইতক ভেটিব পৰা সাহস আৰু প্ৰযুক্তি খুব কমসংখ্যক ইঞ্জিনিয়াৰৰহে আছিল। সেয়েহে ভূপেনদাই শৰাইঘাটৰ দলং নিৰ্মাণৰ কামটোক চন্দ্ৰলৈ মানুহ যোৱাৰ সমপৰ্যায়ত ৰাখিলে।

"ব্ৰহ্মপুত্ৰৰ দুটি পাৰ দলঙে লগ লগালে
চন্দ্ৰৰ বুকুলৈ মানুহ যাবলৈ ওলালে।"

গীতটিত ভূপেনদাই ভৱিষ্যতৰ সোণালী ছবিখনো সুন্দৰকৈ আঁকি থৈ গ'ল।

"ডাঙৰ ডাঙৰসকলৰ পোহৰৰ সমাজখন
অবিশ্বাসৰ এন্ধাৰেৰে কেতিয়াবা ঢাকিলে
আমি সৰু সৰুবোৰে জোনাকী পৰুৱা হৈ
পোহৰ বিলাওঁ বুলি দলে দলে ওলামেই।"

*(ব্ৰহ্মপুত্ৰৰ দুটি পাৰ)*

সত্তৰৰ দশকত গুৱাহাটীত অট'ৰিক্সা চলিল। শিক্ষিত অসমীয়া যুৱকে শ্ৰমৰ মৰ্যাদা বুজি হাতে-কামে লগাত ভূপেনদাই সন্তোষ পালে। গীতিকাৰৰ সেই আনন্দ গীতটিৰ শব্দ প্ৰয়োগত দেখা পোৱা গ'ল। (গুলজাৰ) অসমীয়া যুৱকৰ এই সুদূৰপ্ৰসাৰী সিদ্ধান্তক সুধাকণ্ঠই সুৰেৰে বান্ধি ৰাখিলে।

"অট'ৰিক্সা চলাওঁ, আমি দুয়ো ভাই
গুৱাহাটী কৰি গুলজাৰ
বি ই ফেইল মই সৰু ভাই এম এ পাছ
বেংকত বহুতো ধাৰ।"

"মই সুধিলোঁ তোক বিয়া কৰিব জানো
নহ'লি যে তই প্ৰফেছাৰ
সি উত্তৰ দিয়ে ঃ মোৰ প্ৰেয়সীয়ে বুজে, দাদা
ডিগনিটি অব লেবাৰ।"

অসমীয়া যুৱকৰ সু-মানসিকতাক ভৱিষ্যতৰ বাবে আদৰ্শ কৰি ৰাখিবলৈকো ভূপেনদাই নাপাহৰিলে।

"পণ কৰিছোঁ দুয়ো ঘাম পেলাই
ওভতাম বেংকৰ বাকীখিনি ধাৰ।"

*(অট'ৰিক্সা চলাওঁ)*

সাহিত্য সভা অসমীয়াৰ অতিকৈ আপোন। সভাৰ বাৰ্ষিক অধিৱেশন কেনেকৈ পতা হয় সেই কথাও ভূপেনদাই গীতেৰে লিখি থৈ গৈছে—

"দুই কুৰি তিনি বছৰ হ'ল আজি সাহিত্য সভাৰ
অসমৰ যোগ্যপুত্ৰ এ, শ্ৰী ফকৰুদ্দিনে
টিহু নগৰত নামিলেহি একচক্ৰ বিমানে।
বৰপেটাৰ প্ৰতিনিধি এ, শ্ৰী ফকৰুদ্দিন নাম
ৰাষ্ট্ৰপতি হৈয়ো কৰে টিহুকে প্ৰমাণ।।"

*(টিহু হ'ল তোমাৰ নাম)*

"আজি 'ৰাংচিনা' নগৰ হে ভৈলা জাতিস্কাৰ"

*(ডিফু হ'ল তোমাৰ নাম)*

লুইতপৰীয়া ডেকা-গাভৰুৰ ওপৰত ভূপেনদাৰ আস্থা অশেষ। সেয়েহে (তেওঁৰ নিজৰ ভাষাত) '১৯৭৯ চনৰপৰা অসমৰ নতুন পুৰুষে এটা জাতিক, জাতিৰ অস্তিত্বক জীৱন্ত কৰি ৰাখিবৰ বাবে যি অহিংস সংগ্ৰাম কৰিছে, সেই সংগ্ৰামক সন্মান কৰি' ভূপেনদাই কেইবাটাও গীত ৰচি থৈ গ'ল, যিবোৰ গীতে আন্দোলনৰ গৌৰৱোজ্জ্বল কাহিনী চিৰযুগমীয়া কৰিলে।